# EMERGING ISSUES AND EDUCATION

## chapter 1 :–

প্ৰাথমিক শিক্ষা হৈছে (ভাৰতৰ দৰে ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিশুৰ) দেশৰ সৰ্বসাধাৰণৰ বাবে শিক্ষা। শিক্ষা বৰ্তমান যুগত প্ৰাথমিক শিক্ষা এটা অপৰিহাৰ্য মৌলিক প্ৰয়োজন। সেইবাবে বৰ্তমান প্ৰাথমিক শিক্ষাৰ বাধ্যতামূলক ধাৰণাতকৈ শিক্ষাৰ সাৰ্বজনীনতা ধাৰণাটো অধিক গুৰুত্বপূৰ্ণ।

শিক্ষা সাৰ্বজনীনতাকৰণ বুলিলে দেশৰ সকলো লোকক শিক্ষিত কৰাকে বুজায়। শিশু, নিৰক্ষৰ যুৱক - যুৱতী, কল - কাৰখানা আদিত কাম কৰা শিশু শ্ৰমিক, নিৰক্ষৰ আৰু কৰ্মৰত প্ৰাপ্তবয়স্কসকল নিৰক্ষৰ মহিলা, সকলো উচ্চ - নীচ, ধনী - দুখীয়া, জাতি - ধৰ্ম নিৰ্বিশেষে শিক্ষা প্ৰদান কৰাই হৈছে শিক্ষাৰ সাৰ্বজনীনতাকৰণ। সাৰ্বজনীন প্ৰাথমিক শিক্ষাই নিৰক্ষৰ লোকসকলক সাক্ষৰতা দান কৰাৰ লগতে পৰিৱৰ্তনৰ লগত সমাযোজন কৰিবলৈ সামৰ্থবান হয়। দেশৰ প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদৰ সম্ভাৱনীয় বিকাশৰ ক্ষেত্ৰত সাৰ্বজনীন প্ৰাথমিক শিক্ষাই বিশেষ ভূমিকা পালন কৰে। এখন কল্যাণকামী ৰাষ্ট্ৰৰ সকলো লোকেই প্ৰাথমিক শিক্ষা লাভ কৰাটো এটা মৌলিক অধিকাৰ।

প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তুলিবৰ বাবে ইয়াৰ কাৰ্য্যকৰী তিনিটা দিশৰ কথা গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে। সেই কেইটা দিশ হৈছে —

1) শিক্ষাৰ ব্যৱস্থাপনাৰ সাৰ্বজনীনতা (Universal Provision)
2) নামভৰ্তিকৰণত সাৰ্বজনীনতা (Universal Enrollment)
3) সংৰক্ষণৰ সাৰ্বজনীনতা (Universal Retention)

### 1) শিক্ষাৰ ব্যৱস্থাপনাৰ সাৰ্বজনীনতা (Universal Provision)

ব্যৱস্থাপনাৰ সাৰ্বজনীনতাকৰণৰ জৰিয়তে দেশৰ

সকলো ঠাইতে কণ কণ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণৰ সুযোগ-সুবিধা পাব লাগে। ইয়াৰ বাবে প্ৰমাইলৰ দূৰত্বত শিশুৰে যোজকাটি যাব পৰাকৈ স্কুলঘৰ স্থাপন কৰিব লাগে। প্ৰাথমিক স্কুল দেশৰ সকলো ঠাইৰ লগতে দুৰ্গম অঞ্চলতো স্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে।

২) নামভৰ্তিকৰণৰ সাৰ্বজনীনতা (Universal Enrollment):-

৬ বছৰ আৰু ১৪ বছৰ বয়সৰ ভিতৰত্বৰ সকলো ল'ৰা-ছোৱালীৰ প্ৰাথমিক স্কুলত নামভৰ্তিকৰণ সুনিশ্চিত কৰিব লাগে। সাৰ্বজনীন নামভৰ্তিকৰণৰ বাবে বহুল প্ৰচাৰ কাৰ্য্য, প্ৰণোদন, স্কুলনি আৰু আইন বলবৎ কৰণৰ যোগেদিও সাৰ্বজনীন নামভৰ্তিকৰণ সম্ভৱ কৰি তুলিব লাগে।

৩) সংৰক্ষণৰ সাৰ্বজনীনতা :- (Universal Retention):-

সংৰক্ষণৰ সাৰ্বজনীনতা বুলিলে প্ৰাথমিক শিক্ষাদানৰ সময় আৰু অধ্যয়নসূচী সম্পূৰ্ণ হৈ নুঠালৈকে সকলো ল'ৰা-ছোৱালীৰ বিদ্যালয়ত উপস্থিতি সম্ভৱ কৰি ৰখা। প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণ শিক্ষাকাল শেষ নকৰাকৈ স্কুল এৰি দিয়া ল'ৰা-ছোৱালী-সকলে সাক্ষৰতা লাভ কৰি উঠিব নোৱাৰে। সেইবাবে নামভৰ্তি কৰা সকলো ল'ৰা-ছোৱালীক শিক্ষাদানৰ সময় আৰু অধ্যয়নসূচী সম্পূৰ্ণ কৰিবলৈ গুৰুত্ব প্ৰদান কৰিব লাগে। প্ৰাথমিক শিক্ষা অসম্পূৰ্ণ কৰি স্কুল এৰি দিয়া ল'ৰা-ছোৱালীৰ সংখ্যা যদি হৈ শিক্ষা অপচয়ৰ সমস্যাৰ সৃষ্টি হয়।

প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ গুৰুত্বপূৰ্ণতা বা-প্ৰয়োজনীয়তা (Significance or Need of Universalisation Primary Education):-

প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ গুৰুত্ব পূৰ্ণতা সহজেই অনুভৱ কৰিব পাৰি। সাৰ্বজনীন প্ৰাথমিক শিক্ষাই মানুহ নিৰক্ষৰতা আৰু অজ্ঞান আন্ধাৰ দূৰ কৰি জীৱন পোহৰাই তো

এখন দেশৰ আৰ্থ-সামাজিক উন্নতি আৰু প্ৰগতিৰ মূল ভেটি হৈছে সাৰ্বজনীন প্ৰাথমিক শিক্ষা। সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা তলত আলোচনা কৰা হ'ল ——

(1) সাৰ্বজনীন প্ৰাথমিক শিক্ষাই দেশৰ সৰ্বসাধাৰণ লোকৰ নিৰক্ষৰতা, অজ্ঞতা আৰু দৰিদ্ৰতা নিৰ্মূল কৰিব পাৰে।

(২) সাৰ্বজনীন প্ৰাথমিক শিক্ষাই সমাজত প্ৰচলিত অন্ধ-বিশ্বাস, কু-সংস্কাৰ আদি সৰ্বসাধাৰণ লোকৰ মনৰ পৰা আঁতৰাই সামাজিক সংকীৰ্ণতা দূৰ কৰে।

(৩) এই শিক্ষাই দেশৰ প্ৰতিগৰাকী পুৰুষ-মহিলাকে সু-নাগৰিক কৰি গঢ়ি তুলিবলৈ সুবিধা প্ৰদান কৰে।

(4) দেশৰ মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদৰ সৎ ব্যৱহাৰ কৰি প্ৰগতিশীল বিকাশ সাধনত এই শিক্ষাই সহায়তা কৰে।

(5) অৰ্থনৈতিক উৎপাদনশীলতা আৰু স্বাৱলম্বীতা সৰ্বসাধাৰণ লোকে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ সহায়েৰে লাভ কৰিব পাৰে।

(6) এই শিক্ষাই সমাজত প্ৰচলিত দুৰ্বল শ্ৰেণীৰ লোকৰ ওপৰত শক্তিশালী লোক সকলে চলোৱা শোষণ আৰু পীড়নৰ প্ৰভাৱ হ্ৰাস কৰিব পাৰে।

(7) চৰকাৰৰ সকলো বিকাশমুখী আঁচনি কাৰ্য্যকৰী কৰি তুলিবলৈ এই শিক্ষাই সহায় কৰে।

(৮) দেশ, সমাজ আৰু সমাজত বসবাস কৰা লোকৰ প্ৰগতিশীল বিকাশ আৰু আধুনিকীকৰণ এই শিক্ষাই সম্ভৱ কৰি তোলে।

(৯) দেশৰ জনসংখ্যা বৃদ্ধি ৰোধ কৰাত ক্ষেত্ৰত এই শিক্ষাই প্ৰভাৱ পেলায়।

(10) ধৰ্মীয় আৰু সাম্প্ৰদায়িক সহিষ্ণুতা ৰক্ষা কৰিবৰ বাবে এই

শিক্ষা প্ৰয়োজন। শিক্ষাৰ যোগেদিহে ধৰ্মীয় সংকীৰ্ণতা দূৰ কৰিব পাৰি আৰু মানুহৰ মাজত উদাৰতা আৰু আন ধৰ্মৰ লোকৰ প্ৰতি সহনশীলতাৰ মনোভাৱ গঢ়ি তুলিব পাৰে।

স্বাধীনোত্তৰ কালত প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তোলা -টো দেশ আৰু চৰকাৰৰ বাবে অত্যাৱশ্যক হৈ উঠিছে। কাৰণ নিৰক্ষৰ, অজ্ঞ লোক সকলে দেশৰ প্ৰগতিৰ ক্ষেত্ৰত বাধা স্বৰূপ হৈ থিয় দিছে। নিৰক্ষৰ আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকৰ মাজত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ অধিক হয়। ফলত জনসংখ্যা বিস্ফোৰণে দেশৰ প্ৰগতিত বাধা প্ৰদান কৰে।

অনুচ্ছেদ নং ৪৫ঃ— প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক সম্বন্ধে (Article NO 45:— On Making Primary Education Free and compulsory)

নিৰক্ষৰতা হৈছে সমাজৰ অভিশাপ স্বৰূপ। নিৰক্ষৰ লোকসকলে সংকীৰ্ণ, সংৰক্ষণশীল আৰু অন্ধবিশ্বাস। সেইবাবে সকলো ব্যক্তিৰে অজ্ঞান অন্ধকাৰৰ মাজৰপৰাই জীৱন পোহৰাই তোলে শিক্ষাই।

ভাৰতবৰ্ষৰ সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ অন্তৰ্গত ৪৫ নং অনুচ্ছেদত নিৰ্দেশ দিছে, যে ——

"এই সংবিধান কাৰ্যকৰী কৰাৰ দহ বছৰ সময়ৰ ভিতৰত সকলোৰোৰ ল'ৰা-ছোৱালীকে তেওঁলোকৰ ১৪ বছৰ সম্পূৰ্ণ নোহোৱালৈকে ৰাজ্যই বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ চেষ্টা কৰিব লাগে।" (Article NO. 45, Under Direction Principles of State Policy, lays down: "The State shall endeavour to Provide within a period of ten years from the commencement of this constitution, for free and compulsory education for all children until they complete the age of fourteen years."

(অৰ্থাৎ)

নিৰ্দেশাত্মক নীতিৰ এই অনুচ্ছেদত প্ৰধানকৈ নিৰ্দিষ্ট দিহা দিশসমূহ উল্লেখ আছে ——

① দহ বছৰ নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত (১৯৫০-৬০) চন নিৰক্ষৰতা দেশৰ পৰা গুচাব লাগে।

② প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিব লাগে।

③ ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

(4) ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ আৰু সকলোবোৰ স্বেচ্ছাসেৱী অনুষ্ঠানে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ প্ৰচেষ্টা কৰিব লাগে।

বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাই দেশৰ সৰ্বসাধাৰণক এখন বিকাশমুখী ৰাষ্ট্ৰ গঢ় দিয়াত সহায় কৰে। দেশ আৰু সমাজৰ লোকৰ বিকাশৰ মূলমন্ত্ৰ হৈছে প্ৰাথমিক শিক্ষা।

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ মৌলিক দায়িত্ব আৰু কৰ্তব্য হৈছে, প্ৰাথমিক শিক্ষা। যিটো প্ৰতিজন নাগৰিকৰ বাবে নিশ্চিত কৰি তোলা।

সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ অন্তৰ্গত ৪৫নং অনুচ্ছেদত প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাত সম্পূৰ্ণ কৃতকাৰ্য্য হোৱা বুলি ক'ব নোৱাৰি। সংবিধানৰ মতে দহ বছৰ (১৯৫০-৬০) চনৰ সময় সীমাৰ ভিতৰত পূৰ্ণ সাক্ষৰতা লাভৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও, বাস্তৱ ক্ষেত্ৰত ই সম্ভৱ হৈ নুঠিল। দহ বছৰ সময় সীমাৰ ভিতৰত দেশৰ সাক্ষৰতাৰ হাৰ ১০০ শতাংশ হৈ উঠাৰ পৰিবৰ্তে মাত্ৰ ৩০ শতাংশহে বৃদ্ধি পালে।

→

## Table — I  Literacy Rate in India (In Percentage)

ভাৰতবৰ্ষৰ সাক্ষৰতা হাৰ (শতাংশত)

| বছৰ | সাক্ষৰতা % | পুৰুষৰ % | মহিলাৰ % |
|---|---|---|---|
| ১৯৫১ | ১৯·৭৪ | ২৯·০০ | ১২·৮২ |
| ১৯৬১ | ৩০·১১ | ৪২·৯৬ | ১৬·৩২ |
| ১৯৭১ | ৩৬·৪৯ | ৪৮·৯২ | ২৩·০০ |
| ১৯৮১ | ৪৩·৫৬ | ৫৭·৩৭ | ২৯·৭৫ |
| ১৯৯১ | ৫২·১১ | ৬৩·৮৬ | ৩৯·৪২ |
| ২০০১ | ৬৪·২৮ | ৭১·৯৩ | ৫৬·০৩ |
| ২০১১ | | | |

তালিকাখনৰ পৰা গম পোৱা গ'ল যে, যোৱা ৫০ বছৰ-ৰ ভিতৰত (১৯৫১ – ২০০১) দেশৰ মুঠ জনসংখ্যাৰ ৬৪% লোকহে মাথোন সাক্ষৰতা লাভ কৰিবলৈ সক্ষম হৈছে। সেইবাবে কুৰি শতিকাৰ শেষতো দেশত পূৰ্ণ সাক্ষৰতা লাভ কৰিব নোৱাৰিলে।